জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ২০ ● শুকুৰবাৰ ● ৯ আহিন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday September 26, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱ...



## কানৈ মহাবিদ্যালয়ৰ জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ বক্তৃতানুষ্ঠান

# ‘সংৰক্ষণ ব্যৱস্থাই জনগোষ্ঠীসমূহক নিজৰ ঐতিহ্য সংৰক্ষণত সহায় কৰে’

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ ২৫ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ উদ্যোগত আৰু ৰাজনীতি বিজ্ঞান বিভাগ, হিন্দী বিভাগ, দৰ্শন বিভাগ, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ২৪ ছেপ্টেম্বৰত ১৩ পিঠিলৈ



## নগাঁৱত বলাৎকাৰৰ গোচৰত এজনক যাৱজ্জীৱন কাৰাদণ্ড

নগাঁও ঃ নিজা প্ৰতিবেদক, ২৫ ছেপ্টেম্বৰ ঃ নগাঁৱৰ বিশেষ পকছ’ আদালতৰ ন্যায়াধীশ অনুৰাগ জিণ্টু বৰাৰ আদালতে আজি এক ৰায় যোগে এগৰাকী নাবালিকাৰ বলাৎকাৰৰ গোচৰৰ সন্দৰ্ভত আচামী কামৰুছ জামানক দোষী ১৩ পিঠিলৈ

দৈনিক জনমভূমি

, দ্বিবিংশতিতম বছৰ, সংখ্যা ২০ ● শুকুৰবাৰ ● ৯ আহিন ● ১৯৪৭ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Friday ● Sep

# ‘সংৰক্ষণ ব্যৱস্থাই জনগোষ্ঠীসমূহক নিজৰ ঐতিহ্য...’

মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অধ্যাপিকা ড° লখিমা দেউৰীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ উক্ত প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে অনাগত দিনসমূহত কেন্দ্ৰটোৱে আৰু অধিক সক্ৰিয়ভাৱে বিভিন্ন প্ৰকাৰৰ অনুষ্ঠানৰ জৰিয়তে কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰখনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই যাব বুলি মত প্ৰকাশ কৰে। উদ্বোধনী ভাষণ দিয়ে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱাই। উদ্বোধনী ভাষণত ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত জনগোষ্ঠীয় গাঁথনি, সংবিধানৰ ব্যৱস্থাৱলী আৰু বৰ্তমান সময়ত জনগোষ্ঠীসমূহৰ মাজত সচৰাচৰ উদ্ভৱ হোৱা গোষ্ঠীগত সচেতনতাই জনজাতিকৰণৰ প্ৰক্ৰিয়াক অতি জটিল কৰি তুলিছে বুলি মত প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে দেইঠাৰ চৰকাৰী মডেল মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° বিজেয়েতা দেউৰীয়ে। ড° দেউৰীয়ে অসমৰ প্ৰেক্ষাপটত জনগোষ্ঠীয় ৰাজনীতিৰ পৰিৱৰ্তন শীৰ্ষক এক মননশীল বক্তৃতা প্ৰদান কৰে। ভাষণত তেওঁ প্ৰকাশ কৰে যে অসমৰ ৰাজনীতিত জনগোষ্ঠীয় বৈশিষ্টসমূহক ব্ৰিটিছ ঔপনিৱেশিক কালৰ পৰা বৰ্তমান সময়লৈকে এক দীঘলীয়া সময়ৰ বিৱৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ পৰিৱেশৰ সৃষ্টি হৈছে। জনগোষ্ঠীসমূহৰ জনগোষ্ঠীয় স্বকীয়তা অটুট ৰাখিবৰ কাৰণে সংবিধান প্ৰদত্ত অধিকাৰ আৰু সংৰক্ষণ ব্যৱস্থাই জনগোষ্ঠীসমূহক নিজৰ ঐতিহ্য আৰু ইতিহাস সংৰক্ষণ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সমান্তৰালভৱে সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত গঠিত হোৱা স্বায়ত্তশাসিত পৰিষদসমূহে যিধৰণেৰে কাম-কাজ কৰিব লাগিছিল, সেই ক্ষেত্ৰত এই পৰিষদসমূহ কিছু কিছু ক্ষেত্ৰত বিফল হৈছে বুলি মত প্ৰকাশ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা তথা জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ সমন্বয়ক ড° নিৰ্মালি পেগুৱে কানৈ মহাবিদ্যালয়ৰ এই কেন্দ্ৰটোৰ চমু ইতিহাস আৰু ইয়াৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰে। উক্ত অনুষ্ঠানত সমল ব্যক্তিগৰাকীৰ ভাষণৰ পাছত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত প্ৰশ্নোত্তৰ শিতানৰ জৰিয়তে বিভিন্ন দিশৰ ওপৰত অভিজ্ঞ ব্যক্তিসকলে আলোকপাত কৰে। অনুষ্ঠানত অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° মৃদুল শৰ্মাকে প্ৰমুখ্য কৰি উদ্যোক্তা বিভাগসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।